# গোট - ২ ঃ সাংখ্য-যোগ
# (Sankhya-Yoga)

## সাংখ্য দৰ্শন
## Sankhya Philosophy

**পাতনি ঃ প্ৰাক্ সাংখ্যদৰ্শন (Early Sankhya Philosophy)**

ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়সমূহৰ ভিতৰত সাংখ্য দৰ্শন অতি প্ৰাচীন। সাংখ্য দৰ্শনৰ প্ৰৱৰ্তক হ'ল মহৰ্ষি কপিল। পণ্ডিতসকলৰ মতে মহৰ্ষি কপিল বুদ্ধৰ আগৰ শতিকাৰ মানুহ অৰ্থাৎ খৃষ্টপূৰ্ব অষ্টম শতিকাৰ। উপনিষদ বিশেষকৈ (শ্বেতাশ্বতৰ, কঠ আদি) পুৰাণ, মহাভাৰত, গীতাত সাংখ্য দৰ্শনৰ যথেষ্ট উল্লেখ পোৱা যায়। সাংখ্য চিন্তাধাৰাৰ প্ৰভাৱ শ্ৰুতি, স্মৃতি, পুৰাণ আদি প্ৰাচীন ভাৰতীয় সাহিত্যত দেখা যায়। পুৰাণৰ ভিতৰত বিষ্ণুপুৰাণ, পদ্মপুৰাণ, মৎস্যপুৰাণ, মাৰ্কণ্ডেয় পুৰাণ, ভাগৱত আৰু অগ্নিপুৰাণত সাংখ্য দৰ্শনৰ বিষয়ে আভাস পোৱা যায়। মহাভাৰতত সাংখ্য দৰ্শনক সনাতন বুলি কোৱা হৈছে। বেদান্ত দৰ্শনৰ প্ৰণেতা বাদৰায়ণ আৰু অদ্বৈতবাদী শংকৰাচাৰ্যই সাংখ্য দৰ্শনৰ দ্বৈতবাদ অস্বীকাৰ কৰিলেও ইয়াৰ তাত্ত্বিক গুৰুত্ব উপলব্ধি কৰিছিল। উপনিষদৰ ওপৰত সাংখ্য দৰ্শনৰ ভিত্তি সম্পৰ্কে পণ্ডিতসকলৰ মাজত মতভেদ আছে। সাংখ্য দৰ্শনৰ দ্বৈতবাদ মানি লৈ ঈশ্বৰৰ অস্তিত্বৰ ধাৰণা প্ৰৱৰ্তন কৰি ৰামানুজাচাৰ্য্যই বিশিষ্টাদ্বৈত সিদ্ধান্তত উপনীত হয়। নিশ্চিতভাৱে ক'ব নোৱাৰিলেও এইটো সম্ভাব্য যে আৰম্ভণিতে সাংখ্য দৰ্শনে উপনিষদৰ ওপৰত ভিত্তি কৰিছিল। পিছৰ কালত জৈন আৰু বৌদ্ধ দৰ্শনৰ প্ৰভাৱত একক ঈশ্বৰবাদ অস্বীকাৰ কৰি আধ্যাত্মিক বহুসত্তাবাদী আৰু নিৰীশ্বৰবাদী হৈ পৰে। বহুতে ভাবে সাংখ্য দৰ্শন বৌদ্ধ দৰ্শনৰ পূৰ্ব শতিকাৰ অৰ্থাৎ বুদ্ধৰ আৱিৰ্ভাৱৰ বহু পূৰ্বেই এই দৰ্শন প্ৰচলিত আছিল। অশ্বঘোষৰ বুদ্ধচৰিত গ্ৰন্থতো সাংখ্য দৰ্শনৰ অন্তৰ্নিহিত ভাৱধাৰা বিদ্যমান।

সাংখ্য দৰ্শন আস্তিক আৰু বৈদিক দৰ্শন। কাৰণ সাংখ্য দৰ্শনে বেদক প্ৰামাণ্য গ্ৰন্থ হিচাপে স্বীকাৰ কৰিছে। সাংখ্য দৰ্শনে ভাৰতীয় পৰম্পৰাগত চিন্তাধাৰাৰ পট পৰিৱৰ্তন

কৰি সংস্কাৰমুক্ত বিশ্লেষণৰ এক বাস্তৱ নীতি প্ৰবৰ্তন কৰে। সাংখ্য দৰ্শনক বস্তুবাদ আৰু ভাববাদৰ সংশ্লেষণাত্মক এটা তত্ত্ব বুলিও ক'ব পাৰি। সাংখ্য দাৰ্শনিকসকলে সংস্কাৰমুক্তভাৱে পুৰুষ আৰু প্ৰকৃতিক দুটা মৌলিক আৰু স্বতন্ত্ৰ সত্তা হিচাপে ভিত্তি কৰি এটা আণৱিক ক্ৰমবিৱৰ্তনৰ মাজেদি জগতখনৰ ব্যাখ্যা কৰিবলৈ চেষ্টা কৰে। পুৰুষ হৈছে চৈতন্যস্বৰূপ জ্ঞাতা, কৰ্তা আৰু প্ৰকৃতি হ'ল দৈহিক জগতখনৰ উপাদানস্বৰূপ জ্ঞেয়। পুৰুষ আৰু প্ৰকৃতি দুয়োটাৰে মৌলিকত্ব স্বীকাৰ কৰাৰ উপৰি সাংখ্য দৰ্শনে পুৰুষ বা আত্মাৰ ব্যক্তিসত্তা স্বীকাৰ কৰি আধ্যাত্মিক বহু সত্তাবাদ গ্ৰহণ কৰিছে।

গতিকে সাংখ্য দৰ্শন দ্বৈতবাদী। কাৰণ এই দৰ্শনত পুৰুষ আৰু প্ৰকৃতি নামে দুটি স্বতন্ত্ৰ, মৌলিক তত্ত্বক স্বীকাৰ কৰা হয়। ঈশ্বৰত বিশ্বাস নকৰা বাবে এই দৰ্শন নিৰীশ্বৰবাদী। সাংখ্য নামটো সম্পৰ্কে বিভিন্ন মতামত পোৱা যায়। কিছুমান দাৰ্শনিকৰ মতে সাংখ্য শব্দটো 'সং' আৰু 'খ্যা' শব্দৰ সংযোগত নিষ্পন্ন হৈছে। 'সং' শব্দৰ অৰ্থ— সম্যক আৰু 'খ্যা' শব্দৰ অৰ্থ হ'ল জ্ঞান। গতিকে 'সাংখ্য' শব্দৰ আক্ষৰিক অৰ্থ হ'ল সম্যক জ্ঞান। শ্ৰীধৰ স্বামী আৰু আন কিছুমান দাৰ্শনিকৰ মতে 'সাংখ্য' শব্দটো সংখ্যাৰ পৰা আহিছে। কাৰণ এই দৰ্শনে জ্ঞানৰ মূল বিষয়বোৰ গণনা কৰি তাত্ত্বিক উপলব্ধি বা সত্ত্বাক জনাৰ প্ৰয়াস কৰে। সাংখ্য দৰ্শনত পুৰুষ আৰু প্ৰকৃতিকে ধৰি মূল পঁচিশটা তত্ত্ব পোৱা যায়। আন কিছুমান দাৰ্শনিকৰ মতে সাংখ্যৰ অৰ্থ হৈছে সম্যক খ্যাতি অৰ্থাৎ যথাৰ্থ জ্ঞান। তত্ত্বজ্ঞানেই হৈছে যথাৰ্থ জ্ঞান, একমাত্ৰ যাৰ দ্বাৰা মুখ্য উদ্দেশ্য মোক্ষ লাভ কৰিব পাৰি।

## উৎস গ্ৰন্থ
## (Source Books)

খৃষ্টপূৰ্ব পঞ্চম শতিকাতত পোন প্ৰথমে ঈশ্বৰকৃষ্ণই প্ৰাচীন সাংখ্য দৰ্শনৰ উপনিষদীয় ভিত্তি ভাঙি দিয়ে। তথাপি ঈশ্বৰকৃষ্ণৰ 'সাংখ্যকাৰিকাত' জৈন আৰু বৌদ্ধ দৰ্শনত থকা বৈদান্তিক অদ্বৈতবাদৰ প্ৰভাৱ প্ৰচ্ছন্নৰূপে থকাৰ প্ৰমাণ পোৱা যায়। পৰম্পৰা অনুসৰি মহৰ্ষি কপিলৰ 'সাংখ্য সূত্ৰ'ই সাংখ্য দৰ্শনৰ সূচনা কৰে যদিও 'সাংখ্য সূত্ৰ'খন অতি সংক্ষিপ্ত হোৱা কাৰণে বিস্তাৰিত ব্যাখ্যাৰ বাবে কপিলে 'সাংখ্য-প্ৰৱচন-সূত্ৰ' আৰু 'তত্ত্বসমাস' গ্ৰন্থ দুখন লিখিছে যদিও সেই দুখনো কপিলে লিখা বুলি প্ৰমাণ কৰিব নোৱাৰি কাৰণ এই মূল্যৱান গ্ৰন্থকেইখন কালৰ গৰ্ভত হেৰাই গ'ল। ঈশ্বৰকৃষ্ণই লিখা 'সাংখ্যকাৰিকা'খনেই একমাত্ৰ সাংখ্য দৰ্শনৰ প্ৰাপ্ত গ্ৰন্থ।

২) যদি কাৰ্য্যটো উপাদান কাৰণৰ মাজত অনুপস্থিত থাকে, তেন্তে কোনো নিমিত্ত কাৰণেই উপাদান কাৰণৰ পৰা কাৰ্য্যৰ উৎপত্তি কৰিব নোৱাৰে। গতিকে, যেতিয়া এটা কাৰ্য্য কিবা এটা কাৰণৰ পৰা উদ্ভৱ হয়, আমি বুজিব লাগিব যে ই পূৰ্বতেই কাৰণত আছিল আৰু অনুকুল অৱস্থাত প্ৰকাশিত হ'ল। উদাহৰণস্বৰূপে— সৰিয়হৰ গুটিৰ পৰা তেল পোৱা যায়। সৰিয়হৰ তেল তাৰ কাৰণ সৰিয়হৰ গুটিৰ মাজত নিহিত নাথাকিলে কোনো কৰ্তা বা নিমিত্ত কাৰণে সৰিয়হৰ গুটিৰ পৰা তেল উলিয়াব নোৱাৰে। গতিকে, কাৰ্য্য পূৰ্বৰে পৰা তাৰ কাৰণৰ মাজত নিহিত থাকে।

৩) এটা উপাদান কাৰণ আৰু তাৰ পৰা উৎপত্তি হোৱা কাৰ্য্যৰ মাজত অপৰিৱৰ্তনীয় বা অব্যভিচাৰী সম্বন্ধ থাকে। এটা উপাদান কাৰণে যি কাৰ্য্য উৎপত্তি কৰে, সেই কাৰ্য্যৰ লগত কাৰণৰ আগতেই সম্পৰ্ক থাকে। সম্পৰ্ক নাথাকিলে সেই কাৰণে সেই কাৰ্য উৎপত্তি কৰিব নোৱাৰে। কিন্তু কাৰ্য্যৰ লগত কাৰণৰ সম্বন্ধ থাকিবলৈ হ'লে কাৰ্য্য উৎপত্তিৰ পূৰ্বে অস্তিত্বশীল হ'ব লাগিব। গতিকে, সৃষ্টিৰ আগতে কাৰ্য্য কাৰণত অন্তৰ্নিহিত হৈ থাকে।

৪) অভিজ্ঞতাত দেখা যায় যে এটা বিশেষ বা নিৰ্দিষ্ট কাৰণৰ পৰাহে এটা বিশেষ বা নিৰ্দিষ্ট কাৰ্য্যৰ উৎপত্তি হয়। গতিকে কাৰ্য্য কিবা প্ৰকাৰে কাৰণত নিহিত হৈ থাকে। সেয়ে নোহোৱা হ'লে যি কোনো কাৰ্য্য যিকোনো কাৰণৰ পৰা উৎপত্তি হ'লহেঁতেন। সৰিয়হৰ গুটিৰ পৰাহে তেলৰ উৎপত্তি হয়, কেৰাচিন বা গাখীৰৰ পৰা তেলৰ উৎপত্তি নহয়। যি কাৰণৰ মাজত যি কাৰ্য্য নিহিত থাকে, তাৰ পৰাহে সেই কাৰ্য্যৰ উৎপত্তি হয়। গতিকে, কাৰ্য্য সৎ।

৫) এটা শক্তিশালী কাৰণেহে কাৰ্য্যটো সৃষ্টি কৰিব পাৰে যিহেতু কাৰ্য্য প্ৰচ্ছন্নভাৱে কাৰণত পূৰ্বতেই নিহিত আছিল। যদি কাৰণৰ মাজত কাৰ্য্য উৎপন্ন কৰাৰ শক্তি নাথাকে, তেন্তে তাক কাৰণ বুলিব নোৱাৰি। যি কাৰণৰ মাজত যি কাৰ্য্যৰ সম্ভাৱনা নিহিত থাকে, সেই কাৰণৰ পৰা কেৱল সেই কাৰ্য্যটোহে উৎপন্ন হয়। গতিকে কাৰ্য্য উৎপন্ন হোৱাৰ পূৰ্বৰে পৰা কাৰণত নিহিত হৈ থাকে।

৬) শেষত, সাংখ্যসকলে কয় যে স্বৰূপতে কাৰ্য্য আৰু কাৰণ অভিন্ন। কাৰ্য্য কাৰণাত্মক। কাৰণৰ যদি অস্তিত্ব থাকে, তেন্তে কাৰ্য্যৰো অস্তিত্ব থাকিব।

কাৰণ আৰু কাৰ্য্য একেটা বস্তুৰে ব্যক্ত আৰু অব্যক্ত দুটা ৰূপ। ব্যক্ত ৰূপটো হৈছে কাৰ্য্য আৰু অব্যক্ত ৰূপটো হৈছে কাৰণ, প্ৰকৃততে দুয়ো একেটা বস্তু। কাঠেৰে তৈয়াৰী মেজ এখন স্বৰূপতে কাঠেই। কেৱল নতুন আকাৰ আৰু গঠন পাইছে। মেজ আৰু কাঠ সম্পূৰ্ণ পৃথক হোৱাহেঁতেন কাঠৰ পৰা মেজৰ উৎপত্তি নহ'লহেঁতেন। কাৰণৰ মাজত প্ৰচ্ছন্নভাৱে নিহিত থকা শক্তিৰ প্ৰকাশেই হৈছে কাৰ্য্য।

ওপৰোক্ত যুক্তিসমূহৰ দ্বাৰা সাংখ্যসকলে প্ৰমাণ কৰিছে যে উৎপত্তিৰ পূৰ্বে কাৰ্য্য কাৰণত নিহিত হৈ থাকে। সাংখ্য দৰ্শনৰ এই মতবাদেই সৎ কাৰ্য্যবাদ নামে জনা যায়। সৎকাৰ্য্যবাদ দুই প্ৰকাৰৰ— পৰিণামবাদ আৰু বিবৰ্তবাদ। পৰিণামবাদ মতে কাৰ্য্যৰ উৎপত্তি হ'লে কাৰণ যথাৰ্থতে কাৰ্য্যলৈ ৰূপান্তৰ (পৰিণাম) হয়। সাংখ্য দৰ্শনে পৰিণামবাদ সমৰ্থন কৰে। তেওঁলোকৰ মতে কাৰ্য্য যদিও উৎপত্তিৰ পূৰ্বতে কাৰণৰ মাজত নিহিত থাকে, কাৰ্য্য এটা নতুন সৃষ্টি। অৰ্থাৎ কাৰণ কাৰ্য্যলৈ যথাৰ্থতে পৰিৱৰ্তন হয়। এই পৰিৱৰ্তনটো হৈছে পৰিণামগত পৰিৱৰ্তন। বিশিষ্টাদ্বৈতবাদী দাৰ্শনিক ৰামানুজাচাৰ্য্যইও সাংখ্য দৰ্শনৰ এই পৰিণামবাদী সৎকাৰ্য্যবাদ সমৰ্থন কৰে। গাখীৰৰ পৰা দৈ উৎপন্ন হওতে নাইবা মাটিৰ পৰা কলহ উৎপন্ন হওঁতে এটা যথাৰ্থ পৰিৱৰ্তন ঘটে। আনহাতে, অদ্বৈতবাদী শংকৰাচাৰ্য্যৰ মতে এই পৰিৱৰ্তন যথাৰ্থ নহয়, প্ৰতিভাষিকহে। কাৰণৰ পৰা কাৰ্য্যৰ উৎপত্তি এটা ৰূপান্তৰ মাত্ৰ। ইয়াক বিবৰ্তবাদ নামে জনা যায়। কাৰ্য্য যদিও কাৰণৰ মাজত নিহিত, প্ৰকৃততে কাৰণৰ পৰা কোনো কাৰ্য্য সৃষ্টি নহয়; কেৱল কাৰ্য্যলৈ পৰিৱৰ্তিত বা বিবৰ্তিত হয়। যেনেদৰে আমি ৰচীৰ ঠাইত সাপ দেখো— আচলতে ৰচীডাল সাপলৈ ৰূপান্তৰিত হোৱা নাই। সাপ ৰচীৰ অৱভাসহে মাত্ৰ।

## প্ৰকৃতি তত্ত্ব
## (Prakriti)

### প্ৰকৃতিৰ স্বৰূপ

সমগ্ৰ জগতখনক দুটা ভাগত বিভক্ত কৰিব পাৰি— জড় আৰু চেতন। জড় হৈছে দৈহিক অৰ্থাৎ স্থান, কালৰ সম্বন্ধ আদিৰ দ্বাৰা নিৰ্ণীত বস্তুময়, পৰিৱৰ্তনশীল জগতখন। চেতন ভাগটো হৈছে— সেই পৰিৱৰ্তনশীল জগতখনৰ অন্তৰালত থকা এক ব্যক্তিক বা তাদাত্মিক সত্তা। এই তাদাত্মিক সত্তাটোৱে হৈছে চেতন পুৰুষ বা